# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 29-11-2025
**Time :** 18-45 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১।　বিধানসভাত ৬ জনগোষ্ঠীৰ জনজাতিকৰণ সম্পৰ্কীয় মন্ত্ৰীগোটৰ প্ৰতিবেদন দাখিল।

২।　১৯৫১ চনৰ আগত অসমলৈ অহা লোকক ভূমি পট্টা প্ৰদান কৰা হ'ব বুলি চৰকাৰৰ ঘোষণা।

৩।　নগাঁও জিলাৰ লুটুমাৰী সংৰক্ষিত বনাঞ্চলৰ দখলীকৃত মাটিত প্ৰশাসনৰ উচ্ছেদ অভিযান।

৪।　ৰাজ্যৰ বিভিন্ন অংশত জ্ঞানপীঠ বঁটা বিজয়ী সাহিত্যিক ড০ মাননি ৰয়ছম গোস্বামীৰ মৃত্যু বাৰ্ষিকী পালন।

*আৰু*

৫।　ভাৰত ছুলতান আজ্‌লান শ্বাহ হকী প্ৰতিযোগিতাৰ ফাইনেলত।

০০০০০০

৬ জনগোষ্ঠীৰ জনজাতিকৰণ সম্পৰ্কীয় মন্ত্ৰীগোটৰ প্ৰতিবেদন আজি বিধানসভাত দাখিল কৰা হৈছে। শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে বিধানসভাত কিছু সময়ৰ পূৰ্বে এই প্ৰতিবেদন দাখিল কৰে।

উল্লেখযোগ্য যে, ৰাজ্যত ৬টা জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰসংগত গঠন কৰা মন্ত্ৰী গোটে বুধবাৰে ৰাজ্যিক মন্ত্ৰীসভাত প্ৰতিবেদন দাখিল কৰিছিল। মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰীয়ে এই প্ৰতিবেদনখনক মন্ত্ৰীসভাই অনুমোদন দিছে বুলি সংবাদমেলক অৱগত কৰিছিল। এই প্ৰতিবেদনে বৰ্তমানৰ জনজাতিসকলৰ অধিকাৰ আৰু সাংবিধানিক সুৰক্ষাৰ ক্ষেত্ৰত কোনো অসুবিধাৰ সৃষ্টি নকৰাকৈ অন্যান্য জনগোষ্ঠীসমূহৰ আশা-আকাংক্ষাক প্ৰতিনিধিত্ব কৰিব পাৰিব বুলি ড০ শৰ্মাই উল্লেখ কৰে।

০০০০০০

১৯৫১ চনৰ আগত অসমলৈ অহা লোকক ভূমি পট্টা প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। অসম বিধান সভাৰ শীতকালীন অধিবেশনৰ আজি অন্তিম দিনা মুখ্যমন্ত্ৰীগৰাকীয়ে সদনত এই বিষয়ে ঘোষণা কৰে। তেওঁ কয়, যে চৰকাৰে ভূমিৰ অধিকাৰ প্ৰদানৰ বাবে নিয়মৰ আধাৰত সময়সীমা নিৰ্ধাৰণ কৰিছে।

**বাইট (চি এম)**

০০০০০০

অসমত ২০১৯ চনৰ পৰা বৰ্তমানলৈকে ৪৩০ জন চৰকাৰী বিষয়া কৰ্মচাৰীক দুৰ্নীতি নিবাৰণ আইনৰ অধীনত গ্ৰেপ্তাৰ কৰিছে। ইয়াৰে ভিতৰত অসম আৰক্ষীৰ দুৰ্নীতি নিবাৰক আৰু তদাৰক শাখাই ৩০২ জনক মুখ্যমন্ত্ৰীৰ বিশেষ নিৰীক্ষণ শাখাই ৮৮ জন আৰু আৰক্ষীয়ে ৪০ জন বিষয়া কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰিছে।

অসম বিধানসভাৰ শীতকালীন অধিবেশনৰ আজি অন্তিম দিনা বিধায়ক জাকিৰ হুছেইন শিকদাৰৰ এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা সদৰি কৰে।

০০০০০০

নগাঁও জিলা প্ৰশাসন আৰু বন বিভাগে আজি কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত লুটুমাৰী সংৰক্ষিত বনাঞ্চলৰ দখলিকৃত মাটিত উচ্ছেদ অভিযান চলায়। বন বিভাগৰ সূত্ৰই জনোৱা অনুযায়ী বনাঞ্চলখনৰ ৫ হাজাৰ ৯৬২ বিঘা মাটিত এহেজাৰ ৭০০টা পৰিয়ালে অবৈধভাৱে বসবাস কৰি আছিল। আজি এই অঞ্চলটোত উচ্চেদ চলোৱা হয়। অঞ্চলটোত উচ্ছেদৰ বাবে ইতিপূৰ্বে প্ৰশাসনে নিৰ্দিষ্ট সময় বান্ধি দিছিল যদিও শস্য চপোৱাৰ বাবে অতিৰিক্ত সময় নিৰ্ধাৰণ কৰি দিয়া হৈছিল। আনহাতে, কালি জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই উচ্ছেদ অভিযান চলাবলগীয়া ঠাইত উপস্থিত হৈ দখলকাৰীসকলক নিজৰ ভূমিলৈ ঘূৰি যাবলৈ আহ্বান জনাইছিল। দখলকাৰীসকলৰ একাংশই ইতিমধ্যেই দখলীকৃত ভূমি ত্যাগ কৰিছিল। আজি পুৱাৰে পৰা সহস্ৰাধিক আৰক্ষীয়ে লুটুমাৰী সংৰক্ষিত বনাঞ্চলৰ চামগাওঁ, ভেদুৰিপাৰ আৰু আমগুৰিত কঠোৰ নিৰাপত্তাৰ মাজেৰে উচ্ছেদ অভিযান চলায়। উল্লেখযোগ্য যে এই উচ্ছেদ অভিযান কাইলৈও চলিব।

**ৱাইট**

০০০০০০

অসমে চতুৰ্থ বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতা মান নিৰূপণ পৰীক্ষাত ৯৯ দশমিক ৯-৬ শতাংশৰ সফলতাৰ হাৰেৰে বিশেষ কৃতিত্ব অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। যোৱা ১২ অক্টোবৰত অনুষ্ঠিত এই পৰীক্ষাত অংশগ্ৰহণ কৰা ৪ লাখ ৪৫ হাজাৰ ১৪৭ গৰাকী প্ৰাৰ্থীৰ ভিতৰত ৪ লাখ ৪৪ হাজাৰ ৯৬৯ গৰাকীয়ে সফলতা অৰ্জন কৰে। শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে এইকথা প্ৰকাশ কৰি সফলতা অৰ্জন কৰা প্ৰাৰ্থীসকলক অভিনন্দন জ্ঞাপন কৰিছে।

০০০০০০

গুৱাহাটীৰ কাহিলিপাৰাস্থিত জ্যেতি চিত্ৰবনত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ অনুষ্ঠিত হৈছে। ২০১৭ চনৰ পৰা প্ৰতি বছৰে উত্তৰ-পূব ভাৰতৰ আগশাৰীৰ সাংস্কৃতিক অনুষ্ঠান তথা বিশ্ব সংবাদ কেন্দ্ৰৰ সহযোগী চলচ্চিত্ৰমে ৰাষ্ট্ৰীয় চুটি ছবি আৰু তথ্য চিত্ৰ মহোৎসৱ অনুষ্ঠিত কৰি আহিছে। এইবাৰৰ মহোৎসৱৰ মূল বিষয় হৈছে- **আমাৰ ঐতিহ্য আমাৰ গৌৰৱ**। মহোৎসৱত ৩০ খন চুটি ছবি আৰু তথ্য চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। সামৰণি অনুষ্ঠানত ৰাজ্যৰ বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়াৰ লগতে ভালেমান গণ্যমান্য লোক উপস্থিত থাকিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৮ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট airnews আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

অসম বিধানসভাত কালি চাহ বাগিচাৰ শ্ৰমিকক ভূমিৰ অধিকাৰ প্ৰদান সম্পৰ্কীয় এখন বিধেয়ক গৃহীত হোৱাৰ বিষয়টোত যোৰহাট জিলাৰ কেইবাখনো চাহ বাগিছাৰ ৰাইজে আদৰণি জনাইছে। জিলাখনৰ মৰিয়নি চেলেং চাহ বাগিছাৰ চাহ শ্ৰমিক সকলক চৰকাৰৰ সিদ্ধান্তই আনন্দিত কৰিছে। বাগিছাখনৰ শ্ৰমিকসকলে চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

বাক্সা জিলাৰ বাহবাৰীৰ ফাতেমাবাদ চাহ বাগিচাতো চাহ শ্ৰমিকসকলৰ মাজত আনন্দ উল্লাস পৰিলক্ষিত হৈছে। শ্ৰীভূমি জিলাৰ ৰামকৃষ্ণ নগৰ সমজিলাৰ দুল্লভচৰা, গম্ভীৰা, বিদ্যানগৰ, কালীনগৰকে ধৰি প্ৰায় সকলো চাহ বাগানৰ কৰ্মচাৰীয়ে চৰকাৰৰ সিদ্ধান্তত আনন্দ প্ৰকাশ কৰে।

উল্লেখযোগ্য যে ভূমিৰ উৰ্ধসীমা নিৰ্ধাৰণ আৰু স্বত্বপ্ৰদান সংশোধনী বিধেয়ক ২০২৫ শীৰ্ষক এই বিধেয়কৰ জৰিয়তে বাগিচাৰ শ্ৰমিকসকলক ভূমিৰ অধিকাৰ প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ ফলত তিনি লাখ ৩৩ হাজাৰৰো অধিক ভূমি স্বত্বহীন চাহ বাগিচাৰ শ্ৰমিকে ভূমি অধিকাৰ লাভ কৰিব। সম্প্ৰতি চাহ বাগিচাত কৰ্মৰত শ্ৰমিকসকলে স্পষ্ট আইনী অধিকাৰ নাইবা সাংবিধানিক সুৰক্ষা অবিহনে ভূমি দখল কৰি আছে। এই নতুন ব্যৱস্থাই তেওঁলোকক স্থায়ীভাৱে ভূমি বন্দোবস্তিত সহায় কৰিব। ইয়াৰ ফলত স্থায়ীভাৱে গৃহ নিৰ্মাণ কৰাৰ লগতে ভূমি সম্পৰ্কত তেওঁলোকৰ নিৰাপত্তাহীনতাৰ মনোভাব নাইকীয়া হ'ব।

০০০০০০

বৰপেটা জিলাত অহা ১৩ ডিচেম্বৰত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। বৰপেটা জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালত প্ৰাংগণ, পাৰিবাৰিক আদালত চৌহদ প্ৰাংগণ, মটৰ দুৰ্ঘটনা দাবী নিষ্পত্তি ন্যায়াধীকৰণ চৌহদ আৰু বৰপেটা জিলা দণ্ডাধীশৰ আদালতৰ অধীনত সমূহ আদালত প্ৰাংগণত সেইদিনা লোক আদালত অনুষ্ঠিত হ'ব বুলি বৰপেটা জিলা আইন সেৱা প্ৰাধিকাৰীয়ে সদৰি কৰে। ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰী আৰু অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰীৰ নিৰ্দেশমৰ্মে আয়োজন কৰা এই আদালতত বি এছ এন এল, এ পি ডি চি এল, বেংকৰ ঋণৰ পৰিশোধৰ ওজৰ-আপত্তিসমূহ এই লোক আদালতৰ জৰিয়তে নিষ্পত্তি কৰা হ'ব। এই সম্পৰ্কে অধিক জানিবলৈ বৰপেটা জিলা আইন সেৱা প্ৰাধিকাৰীয়ে ৰাইজক ৯৮৬৪৩-৯৩৮৩২ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

০০০০০০

ৰামায়নী সাহিত্যৰ গৱেষক তথা জ্ঞানপীঠ বঁটা বিজয়ী ড° মাননী ৰয়ছম গোস্বামীৰ আজি ১৪ সংখ্যক মৃত্যু বাৰ্ষিকীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেঁওলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত মুখ্যমন্ত্ৰীয়ে স্বনামধন্য সাহিত্যিকগৰাকীৰ অৱদানে অসমৰ জাতীয় জীৱনক সদায়ে সমৃদ্ধ কৰি ৰাখিব বুলি আশা প্ৰকাশ কৰে।

কামৰূপ জিলাৰ দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ উদ্যোগত আজি মিৰ্জাত ড° মামনি ৰয়ছম গোস্বামীৰৰ চতুৰ্দশ মৃত্যু বাৰ্ষিকী পালন কৰা হয়। দিনজোৰা কাৰ্যসূচীৰে পালন কৰা এই মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি ড° মামনী ৰয়ছম গোস্বামী স্মাৰক সাহিত্য বঁটা ২০২৫ প্ৰদান কৰা হয়। ৰাজ্যৰ বিশিষ্ট সাংবাদিক ড° সমুদ্ৰগুপ্ত কাশ্যপলৈ আগবঢ়োৱা এই বঁটাত আছে গামোচা, চেলেং, মানপত্ৰ, স্মাৰক, কিতাপৰ টোপোলা আৰু নগদ ধন।

আজি পুৱা ছাফাই অভিযানেৰে কাৰ্যসূচী আৰম্ভ কৰি শ্ৰদ্ধাঞ্জলি, স্মৃতিচাৰণ সভা আৰু সৰ্বধৰ্ম প্ৰাৰ্থনাৰ আয়োজন কৰাৰ লগতে সন্ধিয়া দুহেজাৰগছি বন্তি প্ৰজ্বলন কৰা হয়।

০০০০০০

সমাগত ৰাজ্য বিধান সভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে পৰহিলৈৰ পৰা আকাশবাণী গুৱাহাটী যোগে প্ৰচাৰিত বাতৰি আৰু বাতৰি বিভাগৰ কেতবোৰ অনুষ্ঠানৰ সময়ৰ কিছু সালসলনি কৰা হৈছে। এই অনুসৰি দিনৰ ১১ বজাত প্ৰচাৰিত মুখ্য বাতৰি পৰহিলৈৰ পৰা পাঁচ মিনিটৰ বাতৰি বুলেটিন হিচাপে প্ৰচাৰ কৰা হ'ব। দিনৰ ১২ বাজি পাঁচ মিনিটত প্ৰচাৰ কৰা বাতৰিৰ সময় ১০ মিনিটলৈ বৃদ্ধি কৰা হ'ব। একেদৰে তিনি বজাৰ মুখ্য বাতৰিৰ পৰিৱৰ্তে পাঁচ মিনিটৰ বুলেটিন প্ৰচাৰ কৰা হ'ব। বিয়লি পাঁচ বাজি ১৫ মিনিটৰ আৰু সন্ধিয়া ছয় বজাৰ বাতৰি এতিয়া পাঁচ মিনিটৰ পৰিৱৰ্তে ১০ মিনিটৰ বাবে প্ৰচাৰ কৰা হ'ব। প্ৰতি মঙলবাৰে এক বাজি ২০ মিনিটত প্ৰচাৰ কৰা প্ৰাসংগিকৰ উপৰি প্ৰতিদিনে বিয়লি ৩ বাজি ৫ মিনিটৰ পৰা তিনি বাজিৰ ১৫ মিনিটলৈ প্ৰাসংগিক প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো প্ৰতিনিশা ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২৫ মিনিটলৈ পুনৰ প্ৰচাৰ কৰা হ'ব। ইপিনে প্ৰতি সোমবাৰে প্ৰচাৰিত ক্ৰীড়া বাৰ্তাৰ সময়ত পাঁচ মিনিট হ্ৰাস কৰা হৈছে। এই অনুসৰি অহা সোমবাৰৰ পৰা সন্ধিয়া ৬ বাজি ৪০ মিনিটৰ পৰা ৬ বাজি ৪৫ মিনিটলৈ ক্ৰীড়া বাৰ্তা প্ৰচাৰ কৰা হ'ব।

০০০০০০

আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ সৈন্যবাহিনীৰ অনুষ্ঠানত **তিন বেহেনে**-ৰ অন্যতম সীমা বেহেন-তাপসী সেনগুপ্ত আৰু মিতা বেহেন- সাধনা ফুকনৰ সৈতে অন্তৰংগ আলাপ শুনিবলৈ পাব। তেওঁলোকৰ সৈতে থাকিব সৈন্য বাহিনী অনুষ্ঠানৰ এসময়ৰ জনপ্ৰিয় ঘোষক দিবাকৰ গোস্বামী আৰু আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰ। আজি নিশা ৮ বাজি ২ মিনিটত।

০০০০০০

গুৱাহাটী মহানগৰীৰ গড়চুক আৰক্ষীয়ে আজি অভিযান চলাই নকল নোটসহ ৩ জন লোকক গ্ৰেপ্তাৰ কৰে। বেটকুছিৰ আন্তঃৰাজ্যিক বাছআস্থানৰ সমীপত অভিযান চলাই আৰক্ষীয়ে ৰবিউল আলী, মুজাম্মিল খান আৰু আবুল কালাম আজাদক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে এই লোককেইজনৰ পৰা ১০ লাখ টকাৰ নকল নোট আৰু দুখন মটৰ চাইকেল জব্দ কৰিছে।

০০০০০০

ভাৰতে ছুলতান আজ্‌লান শ্বাহ হকী প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতে আজি মালয়েছিয়াৰ ইপ'হত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত কানাডাক ১৪-৩ গ'লত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। ভাৰতৰ সৈতে যুগৰাজ সিঙে ৪টা আৰু ৰাজিন্দৰ সিং, অভিষেক আৰু অমিত ৰোহিদাসে দুটাকৈ গ'ল দিয়ে। ভাৰত ফাইনেলত বেলজিয়ামৰ সন্মুখীন হ'ব।

০০০০০০

আকাশবাণী গুৱাহাটীৰ ৰিক্ৰিয়েচন ক্লাবৰ উদ্যোগত সুধাকণ্ঠ ভূপেন হাজৰিকা আৰু ৰাইজৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ গীতৰ সমূহীয়া পৰিৱেশনৰ বাবে কাইলৈ আকাশবাণী গুৱাহাটীৰ চৌহদৰ খেলপথাৰত এটা বৰ্ণাঢ্য

অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কাইলৈ দিনৰ **১১** বজাৰ পৰা হ'বলগীয়া এই অনুষ্ঠানত আকাশবাণী চৌহদৰ বাসিন্দাসকলৰ লগতে বহু কেইগৰাকী আমন্ত্রিত শিল্পীয়ে দুয়োগৰাকী শিল্পীৰ গীত পৰিৱেশন কৰিব।

০০০০০০

বজালী জিলাৰ পাটাছাৰকুছিৰ বিশিষ্ট ব্যৱসায়ী পৰমেশ হালৈৰ আজি পুৱা এটা পথ দুৰ্ঘটনাত মৃত্যু হয়। মৃত্যুৰ সময়ত তেঁওৰ বয়স আছিল ৭৫ বছৰ। প্ৰাতঃভ্ৰমণৰ বাবে ওলাই যোৱা হালৈক ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে অহা এখন অচিনাক্ত বাহনে খুন্দিয়াই থৈ যোৱাত মূৰত গুৰুতৰভাৱে আঘাত পোৱাত তেওঁক চিকিৎসাৰ বাবে নলবাৰীলৈ নিয়া হৈছিল যদিও তেওঁ শেষ নিশ্বাস ত্যাগ কৰে।

০০০০০০

বিগত বছৰৰ দৰে গুৱাহাটী মহাবিদ্যালয় শিক্ষক গোটৰ উদ্যোগত আজি **ন'বেল বক্তৃতামালা দ্বিতীয় সংস্কৰণ** অনুষ্ঠিত হয়। অনুষ্ঠানত সমল বক্তাসকলে চলিত বৰ্ষত ন'বেল বঁটাপ্ৰাপকসকলৰ জীৱন আৰু মানৱ জাতিলৈ তেওঁলোকৰ অৱদান সম্পৰ্কে তথ্যপূৰ্ণ আৰু বিশ্লেষণাত্মক বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ লগতে বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে।

০০০০০০

সমাপ্ত